দ্বিতীয় অধ্যায়

# মূল অৰ্থনৈতিক সমস্যাসমূহ

## মূল আলোচ্য বিষয়

- দৰিদ্ৰতা আৰু দৰিদ্ৰতাৰ সীমাৰেখা বুলিলে কি বুজা যায়?
- ভাৰতবৰ্ষত দৰিদ্ৰতাৰ অৱস্থা আৰু কাৰণবোৰ কি কি?
- জনসংখ্যা বৃদ্ধিৰ সমস্যাসমূহ কি কি?
- নিবনুৱা সমস্যাৰ কাৰণসমূহ
- মুদ্ৰাস্ফীতি— ইয়াৰ কাৰণ, প্ৰভাৱ আৰু নিয়ন্ত্ৰণৰ উপায়
- বহনক্ষম উন্নয়নৰ ধাৰণা
- সেউজ অৰ্থনীতিৰ ধাৰণা

## ২.১ দৰিদ্ৰতা আৰু অসমতা

### ২.১.১ দৰিদ্ৰতাৰ সংজ্ঞা (Definition of Poverty) ঃ

পৃথিৱীৰ বিভিন্ন দেশে সন্মুখীন হৈ অহা এক জ্বলন্ত সমস্যা হৈছে দৰিদ্ৰতা। দৰিদ্ৰতাৰ সংজ্ঞা বিভিন্নজনে বিভিন্ন ধৰণে আগবঢ়াইছে। বহল অৰ্থত দৰিদ্ৰতাই এনে এক অৱস্থাক বুজায় য'ত এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ মৌলিক প্ৰয়োজন সমূহ যেনে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধাসমূহ আহৰণত ব্যৰ্থ হয়।

সম্পদ আৰু আয়ৰ অসম বিতৰণে এখন দেশৰ অৰ্থনীতিত অৰ্থনৈতিক অসমতাৰ সৃষ্টি কৰে। ইয়াৰ ফলস্বৰূপে ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধান বৃদ্ধি পায়। ফলত

দৰিদ্ৰ লোকসকল দৰিদ্ৰতাৰ পাকচক্ৰ (Vicious Circle of Poverty)ত পৰি দৰিদ্ৰৰ পৰা আৰু অধিক দৰিদ্ৰতাৰ মাজলৈ গতি কৰে।

### ২.১.২ দৰিদ্ৰতাৰ সীমাৰেখা (Poverty Line) ঃ

দৰিদ্ৰতাৰ সীমাৰেখাই বিতৰণ ৰেখাৰ এনে এক নিম্নতম সীমা নিৰ্দ্ধাৰণ কৰি দিয়ে যি এখন দেশৰ জনসাধাৰণক দৰিদ্ৰ (Poor) আৰু অদৰিদ্ৰ (non-poor) এই দুটা ভাগত ভাগ কৰে। ভাৰতবৰ্ষৰ দৰিদ্ৰ সীমাৰেখাৰ বিভিন্ন ব্যাখ্যা আগবঢ়োৱা হৈছে যদিও কেলৰি (Calorie) ভিত্তিক ব্যাখ্যাটোৱে হৈছে অধিক প্ৰচলিত। ভাৰতৰ পৰিকল্পনা আয়োগে কেলৰি ভিত্তিত আগবঢ়োৱা সংজ্ঞাৰ মতে গাঁও অঞ্চলত দৈনিক জনমূৰি নূন্যতম ২৪০০ কেলৰি আৰু চহৰ অঞ্চলত দৈনিক জনমূৰি নূন্যতম ২১০০ কেলৰি খাদ্য আহৰণ কৰিব নোৱাৰিলে এজন ব্যক্তিক দৰিদ্ৰ বুলি কোৱা হয়। গাঁও অঞ্চলত অধিক কেলৰিৰ প্ৰয়োজন হয় কাৰণ গাঁৱলীয়া লোকৰ চহৰীয়া লোকতকৈ শাৰীৰিক পৰিশ্ৰম বেছি। নূন্যতম কেলৰি আহৰণ কৰিবলৈ চলিত দৰৰ হিচাপত গাঁও অঞ্চলত আৰু চহৰ অঞ্চলত জনমূৰি মাহিলী ব্যয়ৰ পৰিমাণ আছিল এনে ধৰণৰ—

| বৰ্ষ | গ্ৰামাঞ্চল | চহৰাঞ্চল |
|---|---|---|
| ২০০০-২০০১ | ৩২৮ টকা | ৪৫৪ টকা |
| ২০০৫-২০০৬ | ৩৬৮ টকা | ৫৫৮ টকা |

নকʼলেও হʼব যে দ্ৰব্যমূল বৃদ্ধি হʼলে আৰু জনমূৰি মাহিলী ব্যয়ৰ পৰিমাণ অপৰিৱৰ্তনীয় হৈ থাকিলে কেলৰিৰ পৰিমাণ একে হৈ নাথাকিব।

### ২.১.৩ ভাৰতবৰ্ষত দৰিদ্ৰতাৰ ব্যাপকতা (Extent of poverty in India) ঃ

ব্যাপক আৰু গভীৰ দৰিদ্ৰতা ভাৰতীয় অৰ্থনীতিৰ অন্যতম প্ৰধান বৈশিষ্ট্য। ভাৰতবৰ্ষত দৰিদ্ৰ লোকৰ সংখ্যা কিমান এই প্ৰশ্নটোৰ সৰ্বগ্ৰহণযোগ্য উত্তৰ পাবলৈ নাই বুলি কʼলে অত্যুক্তি কৰা নহʼব। সময়ে সময়ে গঠন কৰি দিয়া সমিতি বা আয়োগৰ প্ৰতিবেদনত দৰিদ্ৰতাৰ বিভিন্ন পৰিসংখ্যা দাঙি ধৰা হৈছে। এই প্ৰতিবেদনসমূহত এইটো স্পষ্ট হৈ পৰিছে যে স্বাধীনোত্তৰ কালছোৱাত আমাৰ দেশত দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস হৈ আহিবলৈ ধৰিছে। অৱশ্যে যি হাৰত এই সংখ্যা কমি আহিছে সেই হাৰ আশানুৰূপ হোৱা নাই।

উল্লেখযোগ্য যে ৫০ আৰু ৬০ৰ দশক দুটাত ভাৰতবৰ্ষৰ দৰিদ্ৰতা সমস্যাটোৰ অধ্যয়নৰ ক্ষেত্ৰত কোনো অনুষ্ঠান বা প্ৰতিষ্ঠানে (যেনে তদানীন্তন পৰিকল্পনা আয়োগ) আগভাগ লোৱা নাছিল; ব্যক্তি বিশেষৰ উদ্যোগতহে এনে অধ্যয়ন সম্পন্ন কৰা হৈছিল। ৭০ৰ দশকৰ আগভাগৰ পৰাহে পৰিকল্পনা আয়োগে দৰিদ্ৰতাৰ পৰিসংখ্যা প্ৰণালীবদ্ধভাৱে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। মন কৰিবলগীয়া যে পঞ্চম পৰিকল্পনা (১৯৭৪-৭৯) তেই



*দৰিদ্ৰতা ঃ ভাৰতীয় অৰ্থনীতিৰ এখন চিনাকি ছবি।*

দৰিদ্ৰতা নিৰ্মূলকৰণ পৰিকল্পনাৰ এক মূল লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছিল। সেইখন পৰিকল্পনাতেই (খাদ্য, বস্ত্ৰ, আশ্ৰয় ইত্যাদি সামৰি) নূন্যতম প্ৰয়োজন আঁচনিখনো যুগুত কৰা হৈছিল।

ৰাষ্ট্ৰীয় নমুনা সমীক্ষা কাৰ্যালয় (পূৰ্বৰ সংস্থা) (National Sample Survey Office)ৰ তত্বাৱধানত মাহিলী জনমূৰি ভোগ ব্যয় (monthly per capita consumption expenditure)ৰ তথ্য আহৰণ কৰা হয় আৰু তাৰ ভিত্তিতেই দৰিদ্ৰতাৰ সীমাৰেখা নিৰ্ধাৰণ কৰা হয়। দৰিদ্ৰতাৰ হিচাপ লওঁতে পৰিকল্পনা আয়োগে এনেবোৰ তথ্যপাতি ব্যৱহাৰ কৰিছিল।

শেহতীয়াকৈ দুটা বিশেষজ্ঞ দলে ভাৰতবৰ্ষৰ দৰিদ্ৰতা সমস্যাটোৰ অধ্যয়ন কৰি প্ৰতিবেদন দাখিল কৰিছে। ২০০৯ চনত অধ্যাপক তেণ্ডুলকাৰৰ পৌৰোহিত্যত দাখিল কৰা প্ৰতিবেদন মতে ২০০৯-১০ চনত গাঁও অঞ্চলত ৩৩.৮ শতাংশ আৰু নগৰ অঞ্চলত ২০.৯ শতাংশ লোক আৰু মুঠতে জনসংখ্যাৰ ২৯.৮ শতাংশ দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰিছিল। দ্বিতীয়টো বিশেষজ্ঞ দলৰ অধ্যক্ষ আছিল ৰঙ্গৰাজন। ৰঙ্গৰাজন সমিতিৰ প্ৰতিবেদনখন দাখিল কৰা হয় ২০১৪ চনত। এই প্ৰতিবেদন অনুসৰি ২০১১-১২ চনত গাঁও অঞ্চলত ৩০.৯ শতাংশ আৰু নগৰ অঞ্চলত ২৬.৪ শতাংশ লোক আৰু মুঠতে দেশৰ জনসংখ্যাৰ ২৯.৫ শতাংশ লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে।

তেণ্ডুলকাৰ সমিতিৰ প্ৰতিবেদন অনুসৰি অসমৰ মুঠ জনসংখ্যাৰ ৩৪.৪ শতাংশ লোক দৰিদ্ৰ। গাঁও অঞ্চলত এই সংখ্যাটো হৈছে ৩৬.৪ শতাংশ আৰু চহৰ অঞ্চলত ২১.৮ শতাংশ। আনহাতে, ৰঙ্গৰাজন সমিতিৰ মতে অসমৰ মুঠ জনসংখ্যাৰ ৪০.৯ শতাংশ লোক দৰিদ্ৰ আৰু গাঁও অঞ্চলত ৪২.০ শতাংশ আৰু চহৰ অঞ্চলত ৩৪.২ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত আছে।

### ২.১.৪ দৰিদ্ৰতাৰ কাৰণসমূহ (Causes of Poverty) ঃ

দৰিদ্ৰতাৰ কাৰণসমূহ ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি— (ক) ঐতিহাসিক, (খ) অৰ্থনৈতিক আৰু (গ) সামাজিক।

**(ক) ঐতিহাসিক ঃ** ইংৰাজৰ শাসনকালত ভাৰতবৰ্ষৰ সম্পদৰাজিৰ বৰ্হিগমন হয় আৰু ভাৰতীয় অৰ্থনীতিৰ ভেটি দুৰ্বল হৈ পৰে। দাদাভাই নৌৰজীৰ গ্ৰন্থ 'Poverty and UnBritish Rule in India'ত বিষয়টোৰ বহল ব্যাখ্যা আগবঢ়োৱা হৈছে। স্বাধীনতা লাভৰ সময়তেই ভাৰতবৰ্ষৰ দৰিদ্ৰতাৰ সমস্যাটো প্ৰকট হৈ উঠিছিল।

**(খ) অৰ্থনৈতিক ঃ** গ্ৰাম্য ভাৰতবৰ্ষত দৰিদ্ৰতাৰ মূল কাৰণসমূহ হ'ল— ভূমিৰ মালিকীস্বত্বৰ অভাৱ, কৃষি খণ্ডৰ বাহিৰত কৰ্মসংস্থাপনৰ অভাৱ, কৃষিখণ্ডত উদ্ভৱ হোৱা ঋতুজ নিবনুৱা, অশিক্ষিত আৰু অদক্ষ শ্ৰমিকৰ প্ৰাদুৰ্ভাৱ, সীমিত কৃষি উৎপাদনৰ পৰিমাণ, নিম্ন মজুৰি হাৰ ইত্যাদি। চহৰ অঞ্চলত দৰিদ্ৰতাৰ মূল কাৰণবোৰ হ'ল— গাঁও অঞ্চলৰ দৰিদ্ৰতাৰ বাবে চহৰ অঞ্চললৈ সৃষ্টি হোৱা অবিৰাম প্ৰব্ৰজন, আৱাসগৃহৰ অভাৱ, খোৱাপানীৰ অভাৱ, দূষিত পৰিৱেশ, বস্তি অঞ্চলৰ সৃষ্টি ইত্যাদি। এইবোৰ কাৰণৰ উপৰিও সামগ্ৰিকভাৱে জনসংখ্যা বৃদ্ধিয়ে পৰিয়ালৰ সঞ্চয় ক্ষমতা হ্ৰাস কৰাৰ ফলত বিনিয়োগৰ বাবে মূলধন সীমিত হৈ পৰাত অৰ্থনৈতিক উন্নয়নৰ হাৰ উৎসাহজনক হোৱা নাই।


**(গ) সামাজিক ঃ** জাতিভেদ আৰু বৰ্ণভেদ প্ৰথাৰ ফলত জনসংখ্যাৰ বুজনসংখ্যক লোক আৰ্থ-সামাজিক উন্নয়নৰ সুফলবোৰৰ পৰা বঞ্চিত হৈ পৰাত দৰিদ্ৰতাৰ সমস্যাটোৱে এক জটিল ৰূপ ধাৰণ কৰিছে।

## ২.২ জনসংখ্যাৰ সমস্যা (Problem of population) ঃ

যিবিলাক সমস্যাই ভাৰতৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে দেখা দিছে তাৰ ভিতৰত মূল সমস্যাটোৱেই হৈছে জন বিস্ফোৰণ। জন বিস্ফোৰণে জনসংখ্যাৰ অত্যাধিক বৃদ্ধিকে সূচায়। ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ হাৰ পৃথিৱীৰ ভিতৰতে সৰ্বাধিক। জনসংখ্যাৰ ফালৰ পৰা ভাৰত পৃথিৱীৰ দ্বিতীয় জনবহুল দেশ। প্ৰথম জনবহুল দেশ হ'ল চীন দেশ। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ জনসংখ্যা হৈছে ১২১ কোটি। বিশ্বৰ মাটিকালিৰ ২.৪ শতাংশ ভাৰতবৰ্ষত আছে আৰু বিশ্বৰ জনসংখ্যাৰ ১৭.৫ শতাংশ হৈছে

ভাৰতৰ জনসংখ্যা।

ভাৰতবৰ্ষত সকলো ৰাজ্যৰ ভিতৰত অধিক জনবহুল ৰাজ্য হৈছে উত্তৰপ্ৰদেশ (২০১১ চনৰ লোকপিয়ল মতে ১৯.৯ কোটি)। আটাইতকৈ কম জনসংখ্যা আছে লাক্ষাদ্বীপত (৬৪,৪২৯ জন)। ২০১১ চনৰ লোকপিয়ল মতে অসমৰ জনসংখ্যা হৈছে প্ৰায় ৩ কোটি ১২ লাখ। অসমৰ আটাইতকৈ বেছি জনসংখ্যা থকা জিলাখন হৈছে নগাঁও জিলা ২৮ লাখ ২৬ হাজাৰ। ইয়াৰ পাছতেই আছে ধুবুৰী জিলাৰ নাম (১৯ লাখ ৪৮ হাজাৰ)। অসমৰ আটাইতকৈ কম জনসংখ্যা থকা জিলাখন হৈছে ডিমা হাচাও (২,১৩,৫২৯)।




*ভাৰতত জনসংখ্যা বৃদ্ধিৰ হাৰ*

## ২০১১ চনৰ লোকপিয়ল মতে ভাৰত তথা অসমৰ কিছু জনসাংখ্যিক তথ্য ঃ

ভাৰতবৰ্ষৰ কিছু জনসাংখ্যিক তথ্য—

১। জনসংখ্যাৰ ঘনত্ব (প্ৰতি বৰ্গকিলোমিটাৰত জনসংখ্যা) ঃ ৩৮২ জন। আটাইতকৈ বেছি জনসংখ্যাৰ ঘনত্ব থকা ৰাজ্য হ'ল পশ্চিমবংগ (১০২৯) আৰু সৰ্বনিম্ন ঘনত্ব থকা ৰাজ্য হ'ল অৰুণাচল প্ৰদেশ (১৭)।

২। দশকটোত (২০০১-২০১১) জনসংখ্যাৰ বৃদ্ধি (Decadal growth)ৰ হাৰ হৈছে ১৭.৬৪ শতাংশ।

৩। লিংগ অনুপাত (প্ৰতি হাজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা) ৯৪০। দেশৰ ৰাজ্যসমূহৰ ভিতৰত কেৰালাত লিংগ অনুপাত সৰ্বাধিক (১০৮৪) আৰু হাৰিয়ানাত লিংগ অনুপাত সৰ্বনিম্ন (৮৭৭)।

অসমৰ কিছু জনসাংখ্যিক তথ্য—

১। অসমৰ জনসংখ্যাৰ ঘনত্ব হৈছে ৩৯৭ জন। অৰ্থাৎ অসমৰ জনসংখ্যা ঘনত্ব দেশৰ জনসংখ্যাৰ ঘনত্বতকৈ বেছি। অসমৰ কামৰূপ মহানগৰ জিলাত জনসংখ্যাৰ ঘনত্ব সৰ্বাধিক (২০১০)। দ্বিতীয় জনসংখ্যাৰ ঘনত্ব বেছি থকা জিলা হ'ল ধুবুৰী (১১৭১)। সৰ্বনিম্ন জনসংখ্যাৰ ঘনত্ব থকা ৰাজ্য হ'ল ডিমা হাচাও (৪৪)।

২। দশকটোত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হ'ল ১৫.৩৫ শতাংশ। এই হাৰ ধুবুৰী জিলাত সৰ্বাধিক (২৪.৪ শতাংশ) আৰু কোকৰাঝাৰত সৰ্বনিম্ন (৫.১৯)।

৩। অসমৰ লিংগ অনুপাত হৈছে ৯৫৪। ই এক শুভ লক্ষণ। কাৰণ এই অনুপাত সৰ্বভাৰতীয় অনুপাততকৈ বেছি। মৰিগাঁও জিলাত লিংগ অনুপাত আটাইতকৈ বেছি (৯৭৪) আৰু কামৰূপ মহানগৰত আটাইতকৈ কম (৯২২)।

অসম তথা ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ মূল কাৰণসমূহৰ ভিতৰত তলৰ কাৰণবোৰ উল্লেখযোগ্য ঃ

১। উচ্চ জন্ম হাৰ।

২। নিৰক্ষৰতা।

৩। দৰিদ্ৰতা।

৪। সামাজিক অজ্ঞতা।

৫। জনসংখ্যা শিক্ষাৰ অভাৱ।

অসমৰ ক্ষেত্ৰত বহিঃ ৰাজ্য আৰু ৰাষ্ট্ৰৰ পৰা অহা প্ৰব্ৰজনে জনসংখ্যাৰ সমস্যাটোক অধিক জটিল কৰি তুলিছে। বিশেষকৈ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ আৰু নেপালৰ পৰা হোৱা অবৈধ অনুপ্ৰৱেশে অসমৰ জনগাঁথনিত বিৰূপ প্ৰভাৱ পেলাইছে।

## ২.৩ নিবনুৱা সমস্যা ঃ

সাধাৰণতে নিবনুৱা শব্দটোৱে কৰ্মহীনতাক বুজায়। যিসকল লোকে কাম কৰাৰ কোনো সুযোগ নাপায় তেওঁলোকক নিবনুৱা বুলি কোৱা হয়। কিন্তু অৰ্থনীতিত নিবনুৱা বুলি ক'লে সেইসকলক বুজায় যাৰ কাম কৰাৰ ক্ষমতা আৰু ইচ্ছা আছে, কিন্তু কোনো উপযুক্ত সংস্থাপন নাপায়। এজন লোকৰ কৰ্ম কৰাৰ ক্ষমতা আছে, কিন্তু তেওঁ যদি চলিত মজুৰিত কাম কৰাৰ বাবে ইচ্ছুক নহয় তেন্তে তেওঁক নিবনুৱা বুলি ক'ব নোৱাৰি।

### ২.৩.১ নিবনুৱাৰ প্ৰকাৰ ঃ

নিবনুৱা সাধাৰণতে দুই প্ৰকাৰৰ - গ্ৰাম্য নিবনুৱা আৰু চহৰীয়া নিবনুৱা। গ্ৰাম্য নিবনুৱা দুই শ্ৰেণীৰ— ঋতুজ নিবনুৱা (Seasonal unemployment) আৰু ছদ্মবেশী বা প্ৰচ্ছন্ন নিবনুৱা (Disguised unemployment)। ঋতুজ নিবনুৱা সকল বছৰৰ এটা সময়ৰ বাবেহে নিবনুৱা, বাকী সময়ত তেওঁলোক বনুৱা হয়। উদাহৰণস্বৰূপে কৃষিকাৰ্য্যত জড়িত লোকসকল ঋতুজ নিবনুৱা। ছদ্মবেশী বা প্ৰচ্ছন্ন নিবনুৱা সকল দেখাত বনুৱা হয়। কিন্তু তেওঁলোকৰ মুঠ উৎপাদনত অলপো ভূমিকা নাথাকে। উদাহৰণস্বৰূপে এটা কাম যদি দুজন মানুহে কৰিব পাৰে, তাত যদি পাঁচজন লোকক নিযুক্ত কৰা হয় তেন্তে ওপৰঞ্চি তিনিজন লোকক ছদ্মবেশী নিবনুৱা বুলি কোৱা হয়।

চহৰীয়া নিবনুৱাও দুই প্ৰকাৰৰ - ঔদ্যোগিক নিবনুৱা (Industrial unemployment) আৰু শিক্ষিত নিবনুৱা (Educated unemployment)। চহৰৰ ঔদ্যোগিক খণ্ডত যিসকল লোকে কৰ্মসংস্থাপনৰ সুবিধা লাভ নকৰে তেওঁলোকক ঔদ্যোগিক নিবনুৱা বুলি কোৱা হয়। আনহাতে উপযুক্ত শিক্ষাগত অৰ্হতা থকা স্বত্বেও যেতিয়া কোনো লোকে কৰ্মসংস্থাপনৰ সুবিধা লাভ নকৰে তেওঁলোকক শিক্ষিত নিবনুৱা বুলি কোৱা হয়।

### ২.৩.২ কৰ্মসংস্থাপনৰ গুণগত মান ঃ

যি কৰ্মস্থলীত মজুৰিৰ লগতে শ্ৰমিকগৰাকীয়ে বীমাকৰণ, ভৱিষ্যনিধি, বিনামূলীয়া স্বাস্থ্যসেৱা ইত্যাদি সামাজিক সুৰক্ষা লাভ কৰে তাত নিয়োগৰ গুণগতমান উন্নত হয়। সংগঠিত খণ্ডত নিয়োগৰ গুণগত মান সদায় উন্নত মানৰ। অসংগঠিত খণ্ডত এনেবোৰ সামাজিক সুৰক্ষাৰ ব্যৱস্থা নথকাত কৰ্মসংস্থাপনৰ কোনো গুণগত মানদণ্ড নাথাকে। ভাৰতবৰ্ষত ৯০ শতাংশতকৈও অধিক মহিলা কৰ্মী অসংগঠিত খণ্ডত আছে। সংগঠিত খণ্ডত নিয়োগ কৰা শ্ৰমিকৰ সংখ্যা ১০ জন বা ততোধিক হয়। এই সংখ্যা ১০ জনতকৈ কম হ'লে অসংগঠিত বা অবিধিবদ্ধ খণ্ড বোলে।

### ২.৩.৩ কৰ্মী-জনসংখ্যা অনুপাত ঃ

মুঠ কৰ্মী-সংখ্যাক জনসংখ্যাৰে ভাগ কৰি ১০০ৰে পূৰণ কৰিলে কৰ্মী জনসংখ্যা অনুপাত পোৱা যায়। যিমানে এই অনুপাত বেছি হয় সিমানেই নিবনুৱাৰ সংখ্যা হ্ৰাস পায়।

**তালিকা ঃ কৰ্মী-জনসংখ্যা অনুপাত প্ৰতি ১০০০ জনৰ বিপৰীতে (সচৰাচৰ ভিত্তিত)**

| | গাঁও অঞ্চল | | | চহৰ অঞ্চল | | | গাঁও আৰু চহৰ একেলগে | | |
|---|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ |
| ভাৰত | ৫৩৫ | ১৭৬ | ৩৫৯ | ৫৪২ | ১২৫ | ৩৪২ | ৫৩৭ | ১৬১ | ৩৫৪ |
| অসম | ৫৩৭ | ৮১ | ৩২২ | ৫৩৮ | ৮৪ | ৩২৪ | ৫৩৭ | ৮১ | ৩২২ |

**উৎস ঃ** ৰাষ্ট্ৰীয় নমুনা সমীক্ষা ৬৮ তম্ চক্ৰ, জুলাই ২০১১-জুন ২০১২, ৰিপৰ্ট নং ৫৫৪

### ২.৩.৪ ভাৰতবৰ্ষ তথা অসমত নিবনুৱাৰ হাৰ ঃ

ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় নমুনা সমীক্ষা সংস্থা (National Sample Survey Organisation) ই নিবনুৱাৰ সংখ্যা গণনা কৰে। নিবনুৱাৰ সংখ্যা গণনা কৰিবলৈ NSSO য়ে তিনিটা ধাৰণাৰ উদ্ভাৱন কৰিছে।

(১) সচৰাচৰ ভিত্তিত (Usual status) বা চলিত বছৰৰ ভিত্তিত

(২) চলিত দৈনিক ভিত্তিত (Current daily status)

(৩) চলিত সাপ্তাহিক ভিত্তিত (Current weekly status)

এই ধাৰণাকেইটাৰ ভেটি হৈছে সংস্থাই সামৰি লোৱা লোকসকলৰ কৰ্মদিনৰ দৈৰ্ঘ্য।

ৰাষ্ট্ৰীয় নমুনা সমীক্ষাৰ ৬৮তম অধ্যয়নৰ মতে সচৰাচৰ ভিত্তি (usual status)ত ভাৰতবৰ্ষ আৰু অসমত নিবনুৱাৰ হাৰ (প্ৰতি ১০০০জন শ্ৰমশক্তিৰ বিপৰীতে নিবনুৱা লোকৰ সংখ্যা) তলৰ তালিকাখনত দেখুওৱা হৈছে ঃ

**তালিকা ঃ নিবনুৱাৰ হাৰ প্ৰতি ১০০০ জনৰ বিপৰীতে (সচৰাচৰ ভিত্তিত)**

| | গাঁও অঞ্চল | | | চহৰ অঞ্চল | | | গাঁও আৰু চহৰ একেলগে | | |
|---|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ |
| ভাৰত | ২১ | ২৯ | ২৩ | ৩২ | ৬৬ | ৩৮ | ২৪ | ৩৬ | ২৭ |
| অসম | ৪৪ | ৯২ | ৫০ | ৫৪ | ৭৫ | ৫৭ | ৪৬ | ৮৯ | ৫০ |

**উৎস ঃ** ৰাষ্ট্ৰীয় নমুনা সমীক্ষা ৬৮ তম্ চক্ৰ, জুলাই ২০১১-জুন ২০১২, ৰিপৰ্ট নং ৫৫৪

### ২.৩.৫ নিবনুৱা সমস্যাৰ কাৰণ ঃ

নিবনুৱা সমস্যাৰ বহুতো কাৰণ আছে। তাৰ ভিতৰত তলৰ কাৰণবোৰ উল্লেখযোগ্য—

১। **দ্ৰুত জনসংখ্যা বৃদ্ধি ঃ** দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে নিবনুৱা সমস্যাৰ সৃষ্টিত বৰঙণি যোগাইছে। বৰ্দ্ধিত জনসংখ্যা অনুপাতে নিয়োগৰ সা-সুবিধা পৰ্যাপ্ত নোহোৱাত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ লৈছে।

২। **নিয়োগ বিহীন উন্নয়ন ঃ** দেশখনত ৰাষ্ট্ৰীয় আয় বৃদ্ধিৰ হাৰ আৰু নিয়োগ বৃদ্ধি হাৰৰ ব্যৱধান বৃদ্ধি পাইছে। এনে অৱস্থাক নিয়োগবিহীন উন্নয়ন (Job less growth) বুলি কোৱা হয়। ফলশ্ৰুতিত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে।

৩। **স্থবিৰ কৃষি উন্নয়ন ঃ** ভাৰতবৰ্ষৰ দৰে এখন কৃষি প্ৰধান দেশত কৃষি ব্যৱস্থাৰ যি উন্নয়ন হ'ব লাগিছিল সেয়া হৈ উঠা নাই। ফলস্বৰূপে কৃষিজীৱী লোকৰ মাজত নিয়োগৰ সুবিধাৰ অভাৱ সৃষ্টি হৈছে।

৪। **ঔদ্যোগীকৰণৰ মন্থৰ গতি ঃ** দেশখনত উদ্যোগিক উন্নয়ন যি হাৰত হ'ব লাগিছিল সেয়া হৈ নুঠাত উদ্যোগিক নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে।

৫। **ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা ঃ** প্ৰচলিত শিক্ষা ব্যৱস্থাই জনসাধাৰণক নিয়োগৰ উপযোগী (Employable) কৰি তুলিব নোৱাৰাত শিক্ষিত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। বৃত্তিমুখী তথা কাৰিকৰী শিক্ষাৰ অভাৱে জনসাধাৰণক স্বাৱলম্বী কৰি তুলিব পৰা নাই।

উপৰোক্ত কাৰক সমূহৰ ওপৰিও নিম্ন মূলধন গঠন, দৰিদ্ৰতা, উপযুক্ত পৰিকল্পনাৰ অভাৱ আদি বহুতো কাৰকে নিবনুৱা সমস্যা সমাধানত বাধা আৰোপ কৰি আহিছে। গতিকে উপযুক্ত চৰকাৰী নীতি প্ৰস্তুত কৰি এই সমস্যা সমাধান কৰাটো অতীৱ প্ৰয়োজন।

## ২.৪ মুদ্ৰাস্ফীতি ঃ

সাধাৰণতে সামগ্ৰীৰ দাম বৃদ্ধি হোৱা অৱস্থাক মুদ্ৰাস্ফীতি বুলি কোৱা হয়। কিন্তু অৰ্থনীতিত মুদ্ৰাস্ফীতি বুলি ক'লে একে লেথাৰিয়ে সাধাৰণ মূল্যস্তৰ বৃদ্ধি পোৱা অৱস্থাক বুজোৱা হয়। মুদ্ৰাস্ফীতি হ'লে বস্তুৰ মূল্য বৃদ্ধি পায় কিন্তু মুদ্ৰাৰ মূল্য কমি যায়।


**মুদ্ৰাস্ফীতিৰ কাৰণ ঃ**

মুদ্ৰাস্ফীতিৰ মূল কাৰণ দুটা। এটা হ'ল চাহিদাজনিত (Demand pull) আৰু আনটো হ'ল ব্যয়জনিত (Cost-push)।

চাহিদাজনিত মুদ্ৰাস্ফীতি হ'ল জনসাধাৰণৰ যেতিয়া দ্ৰব্য বা সেৱাৰ প্ৰতি চাহিদা অধিক বৃদ্ধি পায় আৰু সেই অনুপাতে দ্ৰব্য আৰু সেৱাৰ যোগান বৃদ্ধি নাপায়। এনে অৱস্থাত মানুহৰ হাতত অধিক মুদ্ৰা বা ক্ৰয় ক্ষমতা থাকে, আৰু ইয়াৰে বজাৰত থকা কম পৰিমাণৰ দ্ৰব্য বা সেৱাৰ প্ৰতি চাহিদা বাঢ়ে। ফলস্বৰূপে দ্ৰব্য আৰু সেৱা বিলাকৰ মূল্য বৃদ্ধি পায়। এনে অৱস্থাত মুদ্ৰাস্ফীতিৰ সৃষ্টি হয়।

কালবৰ্ণ (Coulborn)ৰ মতে যেতিয়া 'অধিক পৰিমাণৰ মুদ্ৰাৰে অলপ সামগ্ৰী ক্ৰয় কৰিবলগীয়া হয়' তেনে অৱস্থাকে মুদ্ৰাস্ফীতি বুলি কোৱা হয় (Inflation is a situation of too much money chasing too few goods)। অৰ্থাৎ তেওঁৰ মতে অধিক মুদ্ৰা তথা ক্ৰয়ক্ষমতা থকাৰ বাবে কম পৰিমাণৰ সামগ্ৰীৰ বিপৰীতে অধিক চাহিদাৰ সৃষ্টি হয় তেতিয়াই মূল্যস্তৰ বৃদ্ধি পায়।

মুদ্ৰাস্ফীতিৰ অন্য এটা কাৰণ হ'ল দ্ৰব্য আৰু সেৱাৰ উৎপাদন ব্যয় বৃদ্ধি। ইয়াক ব্যয়জনিত মুদ্ৰাস্ফীতি (Cost-push inflation) বুলি কোৱা হয়। ব্যয়জনিত মুদ্ৰাস্ফীতি প্ৰধানকৈ তিনিটা কাৰকৰ ফলত সৃষ্টি হয়— (ক) মজুৰি বৃদ্ধি, (খ) লাভৰ পৰিমাণ বৃদ্ধি আৰু (গ) দ্ৰব্যৰ ওপৰত আৰোপ কৰা কৰৰ বাবে হোৱা বোজা।




*৩ টকাত এটা পিঁয়াজ! মুদ্ৰাস্ফীতিৰ হাৰ ইমান বেছি?*

### ২.৪.১ মুক্ত আৰু দমিত মুদ্ৰাস্ফীতি (Open and suppressed inflation) ঃ

যেতিয়া দৰ স্তৰৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে আৰু দৰ অবাধে বৃদ্ধি হয় তেনে অৱস্থাক মুক্ত মুদ্ৰাস্ফীতি বুলি কোৱা হয়। অন্যহাতেদি চৰকাৰে বিভিন্ন প্ৰত্যক্ষ ব্যৱস্থাৰ যোগেদি যেনে ৰাজহুৱা বিতৰণ ব্যৱস্থা, চৰকাৰী ভাবে দৰ নিৰ্ধাৰণ আদিৰ যোগেদি দৰ নিয়ন্ত্ৰণ কৰে। এনে নিয়ন্ত্ৰণ ব্যৱস্থাই দৰ স্তৰ মুক্ত মুদ্ৰাস্ফীতিৰ দৰ স্তৰতকৈ কমত ৰাখে আৰু দৰ স্তৰ বৃদ্ধিৰ পৰিমাণ হ্ৰাস হয়। এনে মুদ্ৰাস্ফীতিক দমিত মুদ্ৰাস্ফীতি বুলি কোৱা হয়।

### ২.৪.২ মুদ্ৰাস্ফীতিৰ প্ৰভাব ঃ

মুদ্ৰাস্ফীতিয়ে এখন অৰ্থনীতিত বিভিন্ন ধৰণে প্ৰভাৱ পেলায়। মুদ্ৰাস্ফীতিৰ ফলত আটাইতকৈ ক্ষতিগ্ৰস্থ হোৱা শ্ৰেণীটো হৈছে স্থিৰ বেতনভোগী শ্ৰেণীটো। কিয়নো মুদ্ৰাস্ফীতিৰ সময়ত বস্তুৰ দৰ বৃদ্ধি পায়, কিন্তু স্থিৰ বেতনভোগীসকলৰ আয় বা মজুৰি বৃদ্ধি নাপায়। ফলস্বৰূপে তেওঁলোকৰ আৰ্থিক অৱস্থালৈ সংকট নামি আহে। মুদ্ৰাস্ফীতিয়ে সঞ্চয়ৰ ওপৰতো কু প্ৰভাৱ পেলায়। মূল্য (দৰ) স্তৰ বৃদ্ধি পোৱাত ভোগ

কার্যত অধিক ব্যয় কৰিব লগাত পৰে আৰু সেয়েহে সঞ্চয়ৰ পৰিমাণ কমি যায়। তদুপৰি এনে সময়ত মুদ্রা মূল্য কমি যোৱাত সঞ্চয়কাৰী সকলৰ সঞ্চিত আমানতৰ মূল্যও কমি যায়। মুদ্রাস্ফীতিৰ সময়ত সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাত ৰপ্তানি খণ্ডৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰে। ঘৰুৱা সামগ্ৰীৰ দাম বৃদ্ধি হোৱাত আন্তৰ্জাতিক বজাৰত এইবোৰ সামগ্ৰীৰ চাহিদা কমি যায়। ফলত ৰপ্তানি হ্ৰাস হয়।

### ২.৪.৩ মুদ্রাস্ফীতি নিয়ন্ত্ৰণৰ উপায়

মুদ্রাস্ফীতি নিয়ন্ত্ৰণ কৰিবৰ বাবে চৰকাৰে সাধাৰণতে (ক) মৌদ্রিক নীতি (খ) ৰাজকোষীয় নীতি আৰু (গ) অমৌদ্রিক নীতি যেনে উৎপাদন বৃদ্ধি নীতি গ্ৰহণ কৰে।

**মৌদ্রিক নীতি ঃ** চৰকাৰে গ্ৰহণ কৰা মৌদ্রিক নীতিৰ ভিতৰত বেংকৰ হাৰ নীতিটো উল্লেখযোগ্য। বেংকৰ হাৰ হ'ল সেই হাৰ যিটো হাৰত কেন্দ্ৰীয় বেংকে বাণিজ্যিক বেংকক ঋণ প্ৰদান কৰে। মুদ্রাস্ফীতিৰ সময়ত বেংকৰ হাৰ বৃদ্ধি কৰা হয়, যাৰ ফলত বাণিজ্যিক বেংকে বজাৰ হাৰ বৃদ্ধি কৰে। ইয়াৰ ফলত ঋণ গ্ৰহণকাৰীয়ে ঋণ ল'বলৈ নিৰুৎসাহিত হয় আৰু বজাৰত ঋণ হ্ৰাস হৈ মুদ্রাস্ফীতি নিয়ন্ত্ৰিত হয়।

**ৰাজকোষীয় নীতি ঃ** এই নীতিক 'আয় আৰু ব্যয়' নীতি বুলিও কোৱা হয়। চৰকাৰী ব্যয় কৰ্তন কৰি দেশত সামগ্ৰিক চাহিদা হ্ৰাস কৰিব পাৰি আৰু মুদ্রাস্ফীতিক নিয়ন্ত্ৰিত কৰিব পাৰি। তদুপৰি বিভিন্ন প্ৰকাৰৰ কৰ আৰোপ কৰি জনসাধাৰণৰ হাতত থকা অতিৰিক্ত মুদ্রা চৰকাৰৰ হাতলৈ আনিব পাৰি। ইয়াৰ ফলত সামগ্ৰিক চাহিদা হ্ৰাস পাব আৰু মুদ্রাস্ফীতি নিয়ন্ত্ৰিত হ'ব। ইয়াৰ উপৰিও চৰকাৰে জনসাধাৰণৰ পৰা ঋণ গ্ৰহণ কৰিও মুদ্রাস্ফীতি নিয়ন্ত্ৰণ কৰিব পাৰে।

**উৎপাদন বৃদ্ধি নীতি ঃ** দেশৰ চৰকাৰে অব্যৱহৃত সম্পদৰাজি সঠিক ভাৱে ব্যৱহাৰ কৰি উৎপাদন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব পাৰিলে দেশত উৎপাদন বৃদ্ধি হ'ব আৰু সামগ্ৰীৰ বৰ্দ্ধিত চাহিদাৰ হাৰত যোগান বৃদ্ধি হৈ দৰ স্তৰ নিয়ন্ত্ৰিত হ'ব।

## ২.৫ বহনক্ষম উন্নয়ন ঃ

বৰ্তমান পৃথিৱীৰ দেশসমূহৰ মাজত অৰ্থনৈতিক প্ৰগতি লাভৰ বাবে যি প্ৰতিযোগিতাৰ আৰম্ভ হৈছে সিয়ে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া পেলাইছে। পৰিৱেশৰ ধ্বংসই পৃথিৱীৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ভাবুকি মাতি আনিছে। পৃথিৱীৰ উষ্ণতা প্ৰতি শতিকাতেই বৃদ্ধি হ'বলৈ ধৰিছে। তাৰ ফলত গোলকীয় উষ্ণতা (Global Warming) সমস্যাৰ উদ্ভৱ হৈছে। জৈৱ-বৈচিত্ৰ্য হ্ৰাস, জলবায়ু পৰিৱৰ্তন আদি অলেখ সমস্যাই পৰিৱেশ বিনষ্ট কৰিছে।

অৰ্থনৈতিক উন্নয়ন আৰু বিকাশৰ বাবে যাতে পৰিৱেশৰ ওপৰত বিৰূপ

প্ৰতিক্ৰিয়া নপৰে সেই উদ্দেশ্য আগত ৰাখি ১৯৮৭ চনত Brundtland আয়োগে অবিৰত বা বহনক্ষম উন্নয়ন (Sustainable Development)ৰ ধাৰণাটো দাঙি ধৰিছিল। এই আয়োগ পৰিৱেশ আৰু উন্নয়নৰ বিশ্ব আয়োগ (World Commission on environment and development) বুলিও জনাজাত। আয়োগৰ মতে 'যি অৰ্থনৈতিক উন্নয়নৰ দ্বাৰা বৰ্তমান প্ৰজন্মৰ অভাৱসমূহ দূৰ হ'ব পাৰে অথচ তাৰ লগে লগে ভৱিষ্যৎ প্ৰজন্মৰ অভাৱসমূহৰ দূৰীকৰণৰ ক্ষমতাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহয় সেই অৰ্থনৈতিক উন্নয়নেই হ'ল অবিৰত বা বহনক্ষম অৰ্থনৈতিক উন্নয়ন।' (Sustainable development is development that meets the needs of the present without compromising the ability of future generations to meet their own needs.)।



*আজিৰ প্ৰাচুৰ্যই ভৱিষ্যৎ প্ৰজন্মৰ বাবে এখন বসবাসৰ অনুপযুক্ত, সম্পদহীন পৃথিৱী এৰি থৈ যাব পাৰে। সেয়েহে ভৱিষ্যতৰ বাবে সেউজ অৰ্থনীতি আৰু বহনক্ষম উন্নয়নৰ নীতি অৱলম্বন কৰা অতিব প্ৰয়োজন।*

## ২.৬ সেউজ অৰ্থনীতি (Green Economy) ঃ

যি অৰ্থনীতিৰ মূল লক্ষ্য হৈছে পৰিৱেশৰ প্ৰতি থকা ভাবুকি আৰু পৰিস্থিতি তন্ত্ৰ (Ecological system)ৰ সমস্যাৰাজি দূৰ কৰি বহনক্ষম উন্নয়ন লাভ কৰা, তেনে অৰ্থনীতিকে সেউজ অৰ্থনীতি বোলা হয়।

পৰিৱেশ সচেতন ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহৰ বাবে এতিয়া মূলমন্ত্ৰ হৈছে ঃ চিন্তা বিশ্বব্যাপী হওক, কাৰ্যপন্থা স্থানীয় হওক (Think globally ; act locally)।



*অৰ্থনীতিৰ লক্ষ্য হ'ব লাগিব এখন সেউজীয়া পৃথিৱীৰ প্ৰতিপালন।*

## মূলকথা

- দৰিদ্ৰতাই এনে এক অৱস্থাক বুজায় য'ত এজন ব্যক্তি তেওঁৰ জীৱনৰ মৌলিক প্ৰয়োজন সমূহ যেনে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধা সমূহৰ পৰা বঞ্চিত হয়।
- সম্পদ আৰু আয়ৰ অসম বিতৰণে অৰ্থনৈতিক অসমতা সৃষ্টি কৰে।
- দৰিদ্ৰতা সীমাৰেখাই মানুহক দুখীয়া আৰু অদুখীয়াৰ ভাগ কৰে।
- গাঁও অঞ্চলত যিজন লোকে দৈনিক নিম্নতম ২৪০০ কেলৰি আৰু চহৰ অঞ্চলত ২১০০ কেলৰি আহৰণ কৰিব নোৱাৰে তেওঁক দুখীয়া বুলি কোৱা হয়।
- দৰিদ্ৰতা আপেক্ষিক আৰু চৰম দুই প্ৰকাৰৰ হ'ব পাৰে।
- জনসংখ্যা দ্ৰুত বৃদ্ধি, আয় আৰু সম্পদৰ সমবিতৰণৰ অভাৱ, নিবনুৱা সমস্যা ইত্যাদি দৰিদ্ৰতাৰ কাৰণ।
- দ্ৰুত জনসংখ্যা বৃদ্ধি ভাৰতৰ অন্য এক জ্বলন্ত সমস্যা। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতত ১২১ কোটি আৰু অসমত ৩ কোটি ১২ লাখ জনসংখ্যা আছে।
- উত্তৰ প্ৰদেশ হৈছে আটাইতকৈ বেছি জনবহুল ৰাজ্য।
- নিৰক্ষৰতা, দৰিদ্ৰতা, সামাজিক অজ্ঞতা আদি জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ।
- যিজন লোকৰ কাম কৰাৰ ইচ্ছা আৰু ক্ষমতা থকা সত্ত্বেও কৰ্মসংস্থাপনৰ সুবিধা নাপায় তেওঁক নিবনুৱা বোলে।
- নিবনুৱা গ্ৰাম্য (ঋতুজ আৰু ছদ্মবেশী) আৰু চহৰীয়া (শিক্ষিত আৰু ঔদ্যোগিক) এই দুই প্ৰকাৰৰ।
- সংগঠিত খণ্ডত নিয়োগ কৰা শ্ৰমিকৰ সংখ্যা ১০ জন বা ততোধিক। এই সংখ্যা ১০ জনতকৈ কম হ'লে অসংগঠিত খণ্ড বোলে।
- মুঠ কৰ্মী জনসংখ্যাক জনসংখ্যাৰে ভাগ কৰি ১০০ৰে পূৰণ কৰিলে কৰ্মী জনসংখ্যা অনুপাত পোৱা যায়।
- দ্ৰুত জনসংখ্যা বৃদ্ধি, নিয়োগ বিহীন উন্নয়ন (Jobless growth), স্থবিৰ কৃষি উন্নয়ন, ত্ৰুটিপূৰ্ণ শিক্ষা ব্যৱস্থা, মন্থৰ ঔদ্যোগীকৰণ আদি নিবনুৱা সমস্যাৰ মূল কাৰণ।
- একেৰাহে দৰ স্তৰ বৃদ্ধি হোৱা অৱস্থাক মুদ্ৰাস্ফীতি বোলে।
- মুদ্ৰাস্ফীতিৰ কাৰণ— চাহিদাজনিত আৰু ব্যয়জনিত।
- অবাধে বৃদ্ধি হোৱা মূল্যস্তৰক মুক্ত মুদ্ৰাস্ফীতি আৰু চৰকাৰী নিয়ন্ত্ৰিত ব্যৱস্থাই মুদ্ৰাস্ফীতিক মুক্ত মুদ্ৰাস্ফীতিতকৈ কমত ৰখাক দমিত মুদ্ৰাস্ফীতি বোলে।
- মুদ্ৰাস্ফীতিৰ সময়ত আটাইতকৈ ক্ষতিগ্ৰস্থ শ্ৰেণীটো হৈছে স্থিৰ বেতনভোগী সকল।

- মুদ্রাস্ফীতিক মৌদ্রিক, অমৌদ্রিক আৰু ৰাজকোষীয় নীতিৰে নিয়ন্ত্ৰণ কৰিব পাৰি।
- ভৱিষ্যৎ প্ৰজন্মৰ উন্নয়ন বিঘ্নিত নকৰাকৈ বৰ্তমান প্ৰজন্মই যি উন্নয়ন কৰিব পাৰে তাক বহনক্ষম উন্নয়ন বোলে।
- পৰিৱেশ আৰু পৰিস্থিতি তন্ত্ৰৰ প্ৰতি থকা ভাবুকি সমূহ দূৰ কৰি বহনক্ষম উন্নয়ন লাভ কৰিব বিচৰা অৰ্থনীতিক সেউজ অৰ্থনীতি বোলা হয়।

## অ নু শী ল নী

**অতি চমু/ চমু উত্তৰৰ প্ৰশ্ন ঃ**

১। সংজ্ঞা লিখা—

(ক) দৰিদ্ৰতা (খ) নিবনুৱা (গ) জনসংখ্যাৰ ঘনত্ব

(ঘ) লিংগ অনুপাত (ঙ) চৰম দৰিদ্ৰতা (চ) আপেক্ষিক দৰিদ্ৰতা

(ছ) বহনক্ষম উন্নয়ন (জ) সেউজ অৰ্থনীতি

২। দৰিদ্ৰতাৰ সীমাৰেখা কি? গাঁও অঞ্চল আৰু চহৰ অঞ্চলৰ দৰিদ্ৰতাৰ সীমাৰেখা কি?

৩। ২০১১ চনৰ লোকপিয়লমতে ভাৰতবৰ্ষ আৰু অসমৰ জনসংখ্যা কিমান?

৪। বিশ্বৰ মাটিকালিৰ কিমান শতাংশ ভাৰতত আছে?

৫। ভাৰতৰ সৰ্বাধিক লিংগ অনুপাত থকা ৰাজ্য কোনখন আৰু কিমান?

৬। অসমৰ জনসংখ্যাৰ ঘনত্ব কিমান?

৭। ছদ্মবেশী নিবনুৱা কাক কয়?

৮। মুদ্রাস্ফীতি কি?

৯। মুদ্রাস্ফীতিৰ কাৰণবোৰ কি কি?

১০। দমিত মুদ্রাস্ফীতি কাক বোলে?

১১। অবিধিগত খণ্ডত শ্ৰমিকৰ সংখ্যা কিমান থাকে?

১২। কৰ্মী জনসংখ্যা $= \frac{\text{মুঠ কৰ্মী সংখ্যা}}{\text{মুঠ জনসংখ্যা}} \times ১০০$
সম্পূৰ্ণ কৰা।

১৩। বহনক্ষম উন্নয়নৰ সংজ্ঞাটো কোনখন আয়োগে কেতিয়া আগবঢ়াইছিল?

১৪। পৰিৱেশ চিন্তাবিদসকলে মানুহৰ চিন্তা আৰু কৰ্মৰ মূলমন্ত্ৰ কি হোৱাটো বিচাৰে?

**দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

১। ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধি সমস্যাৰ মূল কাৰণবোৰ আলোচনা কৰা।

২। দৰিদ্ৰতা কাক কয়? দৰিদ্ৰতাৰ সীমাৰেখাই কিদৰে দৰিদ্ৰতা নিৰূপন কৰে ব্যাখ্যা কৰা।

৩। মুদ্ৰাস্ফীতি কাক বোলে? মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ মূল পদ্ধতিসমূহ আলোচনা কৰা।

৪। নিবনুৱা সমস্যা কাক বোলে? ইয়াৰ প্ৰকাৰ কি কি? এই সমস্যাৰ মূল কাৰণসমূহ উল্লেখ কৰা।

৫। চমুটোকা লিখা ঃ

(ক) ঋতুজ নিবনুৱা

(খ) চাহিদাজনিত আৰু ব্যয়জনিত মুদ্ৰাস্ফীতি

(গ) বহনক্ষম উন্নয়ন

(ঘ) সেউজ অৰ্থনীতি

(ঙ) মুক্ত আৰু দমিত মুদ্ৰাস্ফীতি।